**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড০ সোনাল মানসিঙক আজি চলিত বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান।

২। ৰাজ্যৰ সত্ৰসমূহৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে ন্যায়ালয়ৰ সমান ক্ষমতাসম্পন্ন এখন স্থায়ী আয়োগ গঠনৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা।

৩। ৰাজ্যৰ প্ৰশাসনত গুৰুত্বপূৰ্ণ সালসলনি। আৰক্ষী অধীক্ষকক জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে নামকৰণৰ বাবে আনুষ্ঠানিক অধিসূচনা।

৪। ৰাজ্যত আজি তৃতীয় দিনাও গৰমৰ প্ৰকোপ অব্যাহত। গ্ৰীষ্ম প্ৰৱাহত এতিয়ালৈকে তিনিজন লোকৰ মৃত্যু।

**আৰু**

৫। এফ আই এইচ হকী প্ৰ’ লীগত আজি ভাৰতীয় পুৰুষ দলটো আৰ্জেণ্টিনাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড০ সোনাল মানসিঙক আজি প্ৰদান কৰা হ’ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড০ মানসিঙক এই বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সুচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০০

ৰাজ্যৰ সত্ৰসমূহৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে ন্যায়ালয়ৰ সমান ক্ষমতাসম্পন্ন এখন স্থায়ী আয়োগ গঠনৰ বাবে চৰকাৰে পৰিকল্পনা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দৰং জিলাৰ ঐতিহাসিক খটৰা সত্ৰ পৰিদৰ্শন কৰি এই কথা উল্লেখ কৰে। তেওঁ কয়, যে অহা অক্টোবৰত হ’বলগীয়া বিধানসভাৰ অধিৱেশনত ইয়াৰ অনুমোদন লোৱা হ’ব। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সত্ৰৰ পুৰণি নামঘৰ আৰু মণিকূট নতুনকৈ নিৰ্মাণ

কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে সত্ৰৰ ভূমি দখলমুক্ত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলি সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে।

ইপিনে চিকিৎসা খণ্ডৰ সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি ড০ শৰ্মাই কয়, যে ৰাজ্যত শীঘ্ৰেই নতুনকৈ ৪০০ চিকিৎসকক নিযুক্তি দিয়া হ'ব। তেওঁ কয়, যে জিলাই জিলাই চিকিৎসা মহাবিদ্যালয়ৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সন্দৰ্ভত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিদেশী নাগৰিকৰ এন আৰ চিত নাম থাকিলেও তেওঁলোকে ৰাজ্য এৰিব লাগিব। একে নামৰ সুযোগ লৈ বহুলোকে বেলেগ জিলাৰ লোককো পিতৃ পৰিচয় দি এন আৰ চিত নাম অন্তৰ্ভুক্ত কৰিছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে এন আৰ চিত ভুৱা তথ্যৰে নাম অন্তৰ্ভুক্ত কৰাৰ বাবে একাংশ যুৱকে বহিঃৰাষ্ট্ৰত প্ৰশিক্ষণ লৈ অহাৰো অভিযোগ তোলে।

**(বাইট- চি এম)**

০০০০০০

ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত কৰ্মৰত বহুকেইগৰাকী প্ৰশাসনিক বিষয়াৰ সালসলনি ঘটাইছে। কৰ্মচাৰী বিভাগে জাৰি কৰা অধিসূচনা অনুসৰি এক্ট-ইষ্ট নীতি পৰিক্ৰমা বিভাগৰ সচিব তথা অসম ঔদ্যোগিক উন্নয়ন নিগম, এ আই ডি চিৰ পৰিচালন সঞ্চালকৰ অতিৰিক্ত দায়িত্বত থকা মানবেন্দ্ৰ প্ৰতাপ সিঙক পূৰ্বৰ দায়িত্বৰ পৰা আঁতৰাই মীন বিভাগৰ সচিব আৰু অসম পৰিবহণ আয়ুক্তৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। গুৱাহাটী পৌৰনিগমৰ আয়ুক্ত তথা পৰিবহণ আয়ুক্তৰ অতিৰিক্ত দায়িত্বত থকা মেঘনিধি দাহালক এ আই ডি চিৰ পৰিচালন সঞ্চালন হিচাপে বদলি কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সচিব ড০ এম এছ লক্ষ্মীপ্ৰিয়াক গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। একেদৰে গুৱাহাটী পৌৰ নিগমৰ যুটীয়া আয়ুক্ত হেমাংগ নৰীছক কাছাৰৰ অতিৰিক্ত জিলা আয়ুক্ত পদলৈ সলনি কৰি এই দায়িত্বৰ পৰা ড০ ধ্ৰুৱজ্যোতি হাজৰিকাক গুৱাহাটী পৌৰ নিগমৰ যুটীয়া আয়ুক্তৰ পদলৈ বদলি কৰা হৈছে। অসম শক্তি বিতৰণ নিগম লিমিটেডৰ পৰিচালন সঞ্চালক তথা মীন আৰু আবকাৰী বিভাগৰ আয়ুক্ত আৰু সচিব ৰাকেশ কুমাৰক এই দায়িত্বৰ পৰা আঁতৰাই দিয়া হৈছে।

ইপিনে অসম আৰক্ষীৰ সকলো আৰক্ষী অধীক্ষকৰ পদবী জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে নামকৰণৰ বাবে গৃহ বিভাগে অধিসূচনা জাৰি কৰিছে। এই সন্দৰ্ভত যোৱা ৫ জুনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত প্ৰস্তাৱ গৃহীত হৈছিল। এই অনুসৰি সকলো জিলা আৰক্ষী অধীক্ষক, চি আই ডি, বি আই ই অ, বিশেষ শাখা, তদাৰকী আৰু দুৰ্নীতি প্ৰতিৰোধ শাখা, সীমান্ত শাখা, মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী শাখা, মুখ্যমন্ত্ৰীৰ নিৰাপত্তাৰ দায়িত্ব থকা অগ্নি আৰু জৰুৰী সেৱা আৰু বিদেশী আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ৰ আৰক্ষী অধীক্ষকসকলক জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে নতুন নামকৰণ কৰা হৈছে। অধিসূচনাত উল্লেখ কৰা অনুসৰি সম্প্ৰতি আৰক্ষী অধীক্ষকৰ পদবীত থকা বিষয়াসকলে ৰাজ্যৰ আৰক্ষীৰ ইউনিফৰ্মৰ ৰীতি অনুসৰি জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ প্ৰতীক পৰিধান কৰিব। উল্লেখযোগ্য যে ৰাজ্যত নতুনকৈ গঠন কৰা সমজিলাৰ আৰক্ষী প্ৰশাসনৰ মুৰববীক সমজিলা আৰক্ষী অধীক্ষক হিচাপে নামকৰণ কৰাৰ পৰিপ্ৰেক্ষিতত বৰ্তমানৰ আৰক্ষী অধীক্ষকসকলৰ পদবীৰ নতুন নামকৰণ কৰাটো প্ৰয়োজনীয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল।

০০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ শিতানত পৰিবহন আৰু আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোকপাত কৰিবলৈ লোৱা হৈছে।

**বাইট**

০০০০০০

ৰাজ্যত একেৰাহে আজি তৃতীয় দিনাও গৰমৰ প্ৰকোপ অব্যাহত আছে। কালি যোৰহাট, গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ, শিলচৰ, মাজবাটত পাৰাস্তম্ভই ৩৭ ডিগ্ৰী ছেলছিয়াছ অতিক্ৰম কৰিছিল। লখিমপুৰত কালি সৰ্বোচ্চ উষ্ণতা আছিল ৩৮ ডিগ্ৰী ছেলছিয়াছ। আৰ্দ্ৰতা বৃদ্ধিৰ বাবেই ৩৬ ডিগ্ৰী ছেলছিয়াছ উষ্ণতাতো ৪৩ ডিগ্ৰী ছেলছিয়াছ উষ্ণতাৰ দৰে অনুভৱ হৈছে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ডঃ গায়ত্ৰী কলিতাই প্ৰকাশ কৰিছে। ডঃ কলিতাই প্ৰকাশ কৰা মতে আজিৰেপৰা অসম আৰু অৰুণাচলৰ দুই-এঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

কাইলৈৰ পৰা পশ্চিম অসমৰ ধুবুৰী, দক্ষিণ শালমাৰা, মানকাচৰ, গোৱালপাৰা, কোকৰাঝাৰ, মধ্য অসমৰ পশ্চিম কাৰ্বি আংলং, পূব কাৰ্বি আংলং, গোলাঘাট, উত্তৰ-পূব অসমৰ ধেমাজি, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, তিনিচুকীয়া, ডিমা হাচাও, কাছাৰ, হাইলাকান্দি, শ্ৰীভূমি জিলাৰ ঠাই বিশেষে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা প্ৰকাশ কৰিছে।

গ্ৰীষ্মৰ প্ৰকোপত কালি ৰাজ্যৰ বিভিন্ন অঞ্চলত তিনিগৰাকী লোকৰ মৃত্যু হয়। দুলীয়াজান অইলৰ কেন্দ্ৰীয় অগ্নি নিৰ্বাপক বাহিনীৰ কাৰ্যালয়ৰ নিচেই সমীপতে গৰমৰ প্ৰকোপত দুলীয়াজান অইল ইণ্ডিয়া লিমিটেডৰ অস্থায়ী শ্ৰমিক এগৰাকীৰ মৃত্যু হয়। মৃত শ্ৰমিকজন বাইহাটা চাৰিআলিৰ ননৰা গাঁৱৰ জগদীশ কলিতা বুলি চিনাক্ত কৰা হৈছে। হাজো থানাৰ অন্তৰ্গত দামপুৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী আলতাব হুছেইনৰ তীব্ৰ গৰম সহিব নোৱাৰি মৃত্যু হোৱা বুলি চিকিৎসকে পৰিয়ালক জানিবলৈ দিয়ে। গোৱালপাৰা জিলাৰ মাটিয়াতো কালি উৎকট গৰমৰ ফলত নকিবুজ জামান নামৰ এজন লোকৰ মৃত্যু হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। কামৰূপ জিলাৰ শুৱালকুছিৰ একশৰণ মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ শুৱালকুছিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। আজি পুৱা ঊষা কীৰ্তন আৰু ধৰ্মীয় পতাকা উত্তোলন কৰা হয়। দিনৰ ভাগত নামপ্ৰসংগ, পাঠ, চৰিত তোলা, সেৱাৰ গীত পৰিৱেশন কৰাৰ লগতে ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব।

বৰপেটা জিলাত গুৰুজনাই স্থাপন কৰা সুন্দৰীদিয়া সত্ৰ, বৰপেটা সত্ৰ, বাৰাদি সত্ৰ আদিত আজি পুৱাৰে পৰা মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বিশেষকৈ বৰপেটা

সত্ৰত সত্ৰীয়া পৰম্পৰাৰ অংশ হিচাপে নিয়মীয়া প্ৰসংগৰ উপৰি নৈমিত্তিক প্ৰসংগৰ আয়োজন কৰা হৈছে। জিলাখনত গুৰুজনাৰ জন্মোৎসৱ পালনৰ বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত—

**ভইচ (অৰূপজ্যোতি মহন্ত)**

০০০০০০

এফ আই এইচ হকী প্ৰ' লীগ প্ৰতিযোগিতাত আজি সন্ধিয়া নেডাৰলেণ্ডছৰ আমষ্টেলভিনৰ ৱাগেনাৰ হকী ষ্টেডিয়ামত ভাৰতীয় পুৰুষ দলটো আৰ্জেণ্টিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ১১ খন খেলৰ পৰা ১৫ পইণ্ট লাভ কৰি ভাৰত বৰ্তমান চতুৰ্থ স্থানত আছে।

ইয়াৰ পূৰ্বে কালি দুয়োটা দলৰ মাজত অনুষ্ঠিত এখন খেলত ভাৰত আৰ্জেণ্টিনাৰ হাতত ৩-৪ ফলাফলত পৰাজিত হয়। ভাৰতৰ হৈ হৰমন প্ৰীত সিঙে তিনিটা আৰু অভিষেকে এটা গল দিয়ে। আৰ্জেণ্টিনাৰ হৈ মেটিয়াচ ৰে, লুকাচ মাৰ্টিনেজ, চেণ্টিয়াগো তাৰাজোনা আৰু লুচিঅ' মেণ্ডেজে এটাকৈ গ'ল দিয়ে।

০০০০০০

নিউজ ৰিভিউ

০০০০০০

আমাৰ আজি পুৱা ৭ বাজি ৫ মিনিটৰ বাতৰিত লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলখনৰ বাতৰিটোত কালি প্ৰথম দিনা দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াই ৪ উইকেটৰ বিনিময়ত ৪৩ ৰান সংগ্ৰহ কৰা বুলি কোৱা হৈছিল। দৰাচলতে দক্ষিণ আফ্ৰিকাইহে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৪ উইকেটৰ বিনিময়ত ৪৩ ৰান কৰিছিল। এই অনিচ্ছাকৃত ভুলৰ বাবে আমি দুঃখিত।

০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ বগৰিগুৰি নিবাসী খগেন মৰাঙৰ কালি নিজ বাসভৱনত মৃত্যু হয়। লুইতপৰীয়া হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক, বিজেপিৰ এগৰাকী জ্যেষ্ঠ কাৰ্যকৰ্তা তথা সমাজসেৱক মৰাঙৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৪ বছৰ।

০০০০০০

সমাপ্ত